# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 12-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰ্তুগাল আৰু শ্লভাকিয়া ভ্ৰমণ সফলতাৰে সামৰি স্বদেশলৈ উভতি আহিছে।

২। নতুন দিল্লীত আয়োজিত আছিয়ান-ভাৰত সামগ্ৰী বাণিজ্য চুক্তি বিষয়ক যুটীয়া সমিতিৰ অষ্টম বৈঠকৰ কালি সামৰণি পৰে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সন্ত্ৰাসবাদ বিৰোধী সহযোগিতাৰ প্ৰশংসা কৰিছে।

৪। কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কেৰল বাণিজ্য চুক্তিৰ সময়সীমা পূৰ কৰাৰ বাবে ৰাষ্ট্ৰৰ স্বাৰ্থৰ সৈতে আপোচ কৰিব নোৱাৰি বুলি মন্তব্য কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৮ উইকেটত জয়লাভ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰ্তুগাল আৰু শ্লভাকিয়া ভ্ৰমণ সফলতাৰে সামৰি স্বদেশলৈ উভতি আহিছে। তাত তেওঁ দুয়োখন দেশৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে কেইবাখনো উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। শ্লভাকিয়াৰ ৰাষ্ট্ৰপতি পীটাৰ পেলিগ্ৰিণীৰ আমন্ত্ৰণমৰ্মে শ্ৰীমতী মুৰ্মু দেশখলৈ গৈছিল। এয়া আছিল বিগত ২৯ বছৰত কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথম শ্লভাকিয়া ভ্ৰমণ। এই ভ্ৰমণৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰমতী মুৰ্মুৱে শ্লভাকিয়াৰ ৰাষ্ট্ৰপতি পীটাৰ পেলিগ্ৰিণী, প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকো আৰু অন্যান্য প্ৰতিনিধিসকলৰ সৈতে বৈঠকত মিলিত হৈ পাৰস্পৰিক সহযোগিতা বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। উভয়ে দেশে মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তা আদিকে ধৰি ন-ন প্ৰযুক্তিখণ্ডত সহযোগিতাৰ লগতে চাইবাৰ সুৰক্ষা ক্ষেত্ৰত ন-ন সুযোগ অন্বেষণৰ বিষয়তো আলোচনা কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শ্লভাকিয়াৰ ৰাজধানীত ভাৰতীয় মূলৰ লোকসকলক উদ্দেশ্যিও ভাষণ দিয়ে। তেওঁ ভাৰত আৰু শ্লভাকিয়াৰ মাজৰ বৰ্ধিত সাংস্কৃতিক সম্পৰ্কৰ ওপৰত আলোকপাত কৰি শ্লভাকিয়াত ভাৰতীয় ঐতিহ্য, পৰম্পৰা তথা যোগ, আয়ুৰ্বেদ আৰু ভাৰতীয় খাদ্যাভাসৰ জনপ্ৰিয়তা সন্দৰ্ভত মন্তব্য কৰে।

ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ৰ পৰ্টুগাল ভ্ৰমণ সামৰি শ্ৰীমতী মুৰ্মু শ্লভাকিয়াত উপস্থিত হয়। এয়া আছিল বিগত ২৭ বছৰত কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ উত্তৰ ইউৰোপীয় দেশ ভ্ৰমণ। মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত আলোচনা চলি থকাৰ সময়ত তেওঁৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। এই ভ্ৰমণৰ সময়ত শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ শীৰ্ষ নেতাসকলক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে।

০০০০০

নতুন দিল্লীত আয়োজিত আছিয়ান-ভাৰত সামগ্ৰী বাণিজ্য চুক্তি বিষয়ক যুটীয়া সমিতিৰ অষ্টম বৈঠকৰ কালি সামৰণি পৰে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ৰাজেশ আগৰৱাল আৰু মালয়ছিয়াৰ বিনিয়োগ, বাণিজ্য তথা উদ্যোগ মন্ত্ৰালয়ৰ জ্যেষ্ঠ সঞ্চালক ড০ সুগুমাৰী এছ শ্বনমুগামে ৫ দিনীয়া এই বৈঠকত সহ-অধ্যক্ষতা কৰে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই সমিতিৰ প্ৰাথমিক উদ্দেশ্য হৈছে চুক্তিসমূহৰ আধুনিকীকৰণ কৰা যাতে বাণিজ্যৰ বাবে এইসমূহ অধিক অনুকূল আৰু ফলপ্ৰসূ হয়। বিবৃতিটোত লগতে কোৱা হৈছে যে আছিয়ান ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ বাণিজ্য অংশীদাৰ হৈ আহিছে আৰু ভাৰতৰ গোলকীয় বাণিজ্যৰ আনুমানিক ১১ শতাংশ অংশীদাৰিত্ব বহন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰত আৰু আছিয়ানৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ১২১ বিলিয়ন মাৰ্কিন ডলাৰত উপনীত হৈছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। এই বৈঠকত ব্ৰুনেই, কম্বোডিয়া, ইণ্ডোনেছিয়া, মালয়ছিয়া, ম্যানমাৰ, লাও পিডিআৰ, ফিলিপিন্স, ছিংগাপুৰ, থাইলেণ্ড আৰু ভিয়েটনামকে ধৰি আছিয়ান ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সন্ত্ৰাসবাদ বিৰোধী সহযোগিতাৰ প্ৰশংসা কৰিছে। ২৬/১১ৰ মুম্বাই আক্ৰমণৰ মূল খলনায়ক তহববুৰ হুছেইন ৰাণাৰ প্ৰত্যৰ্পণ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ উত্তৰ দি ড০ জয়শংকৰে কয়, যে এই আক্ৰমণৰ ভুক্তভোগী লোকসকলৰ প্ৰতি ন্যায় সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এয়া নিশ্চিতভাৱে এটা বৃহৎ পদক্ষেপ। শ্ৰীৰুবিঅ'ই তেওঁৰ বাৰ্তাত উল্লেখ কৰে যে তহববুৰ ৰাণাক ২০০৮ চনৰ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিকল্পনা যুগুত কৰাৰ বিৰুদ্ধে গোচৰসমূহৰ সন্মুখীন হ'বলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতলৈ প্ৰত্যৰ্পণ কৰাইছে। তেওঁ কয়, যে ভাৰতৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰই দীৰ্ঘদিন ধৰি এই আক্ৰমণত নিহত হোৱা ছগৰাকী মাৰ্কিন নাগৰিককে ধৰি ১৬৬ জন লোকৰ মৃত্যুৰ ন্যায়ৰ অপেক্ষাত আছে। শ্ৰীৰুবিঅ'ই বৰ্তমান সেই দিন সমাগত বুলি সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০

AIADMK-ই এন ডি এত যোগদান কৰাৰ সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে এন ডি এৰ অন্যান্য মিত্ৰদলৰ সৈতে লগলাগি তেওঁলোকে তামিলনাডুক উন্নতিৰ নতুন শিখৰলৈ লৈ যাব আৰু নিষ্ঠাসহকৰে ৰাজ্যখনলৈ সেৱা আগবঢ়াব। তেওঁ কয়, যে এন ডি এৰ মিত্ৰজোঁটে এম জি ৰামাচন্দ্ৰন আৰু তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত জয়ললিতাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে এখন চৰকাৰ সুনিশ্চিত কৰিব। প্ৰধানমন্ত্ৰীয়ে কয়, যে তামিলনাডুৰ উন্নতি ৰাজ্যখনৰ অনন্য সংস্কৃতিৰ সংৰক্ষণৰ উদ্দেশ্যে দুৰ্নীতি নিৰ্মূল কৰাৰ লগতে বিভাজনকাৰী ডি এম কে-ক উৎখাত কৰা অত্যন্ত প্ৰয়োজন আৰু যিটো এন ডি এ মিত্ৰজোঁটে কৰি দেখুওৱাব।

০০০০০

কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কেৱল বাণিজ্য চুক্তিৰ সময়সীমা পূৰ কৰাৰ বাবে ৰাষ্ট্ৰৰ স্বাৰ্থৰ সৈতে আপোচ কৰিব নোৱাৰি বুলি মন্তব্য কৰিছে। তেওঁ কয়, যে বাণিজ্য চুক্তি দুয়োপক্ষৰ বাবে সমান সমান হোৱা উচিত। নতুন দিল্লীত নৰম বিশ্ব প্ৰযুক্তি সন্মিলনত ভাষণ দি কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতৰ বাবে গোলকীয় বাণিজ্য পুনৰ গঠনৰ ক্ষেত্ৰত বিশেষকৈ আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ দৰে বিশ্বাসযোগ্য অংশীদাৰীৰ সৈতে থকা সুযোগ সন্দৰ্ভত আলোকপাত কৰে। মুক্ত বাণিজ্য

চুক্তিৰ কথা উল্লেখ কৰি শ্ৰীগোৱেলে কয়, যে বাণিজ্য চুক্তিৰ সময়সীমা ন্যায়সংগত আৰু দুয়ো পক্ষক পাৰস্পৰিকভাৱে উপকৃত কৰিব পৰা হ'ব লাগে। ভাৰতে সম্প্ৰতি ইউৰোপীয় সংঘ, ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি বিভিন্ন দেশৰ সৈতে বাণিজ্য চুক্তিত কাম কৰি আছে। শ্ৰীগোৱেলে কয়, যে ইউৰোপীয় সংঘৰ সৈতে মুক্ত বাণিজ্য চুক্তিত প্ৰগতি হৈছে যদিও জলবায়ু অধিনিয়মৰ সৈতে জড়িত অ-বাণিজ্যিক বিষয়সমূহত বহু প্ৰত্যাহ্বান জড়িত হৈ আছে। আনহাতে চীনৰ সৈতে বাণিজ্য চুক্তিৰ ক্ষেত্ৰত ভাৰতে সদায় নিজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰ্তমান সময়ত চীনৰ পৰা অতি কম পৰিমাণৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ হয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৱেভছ্ শীৰ্ষ সন্মিলন ২০২৫ৰ অংশ হিচাপে অনুষ্ঠিত থীম সংগীত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰিছে। ৱেভছ্ শীৰ্ষ সন্মিলনৰ ৩২টা প্ৰত্যাহ্বানৰ অংশ হিচাপে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সমগ্ৰ দেশৰ ১০০ৰো অধিক প্ৰতিযোগীৰ মাজৰ পৰা ছগৰাকীক বিজয়ী হিচাপে নিৰ্বাচিত কৰা হৈছে। ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীতৰ পৰা আৰম্ভ কৰি সমসাময়িক ধাৰাক সামৰি ৱেভছ্ সন্মিলনৰ বিষয়বস্তুৰ সৈতে সংগতি থকা গীত-নৃত্য তথা প্ৰতিযোগীসকলৰ মৌলিকতাৰ মূল্যাংকন কৰি বিচাৰকসকলে বিজয়সকলক নিৰ্বাচিত কৰে। দেশৰ বৰ্ণাঢ্য সংগীত প্ৰতিভাসমূহ প্ৰদৰ্শন কৰাৰ লক্ষ্যৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিশ্ব অডিঅ' আৰু ভিডিঅ' মনোৰঞ্জন সন্মিলন, ৱেভছ্ অহা ১ৰ পৰা ৪ মে'লৈ প্ৰথমবাৰৰ বাবে মুম্বাইত অনুষ্ঠিত হ'ব।

ooooo

তেলেংগানাৰ মুলুগু জিলাত কালি কমেও ২২ জন চিপিআই মাওবাদীয়ে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। এই আত্মসমৰ্পণকাৰী সকলৰ ভিতৰত ৰিভলিউশ্যনৰী পিপলছ্ কমিটীৰ ১৮ জন সদস্য, ৩টা এলেকা সমিতিৰ সদস্য আৰু এজন দলীয় সদস্য আছে। জিলা আৰক্ষী অধীক্ষক ছ'বাৰিছ পি-য়ে মাওবাদী সদস্যসকলক আত্মসমৰ্পণ কৰি পৰিয়ালৰ সৈতে শান্তিপূৰ্ণ জীৱন কটাবলৈ আহ্বান জনাইছিল। তেওঁ কয়, যে জিলা আৰক্ষীয়ে আত্মসমৰ্পণকাৰী সদস্যসকলৰ পুনৰ্বাসৰ ব্যৱস্থা কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৮ উইকেটত জয়লাভ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক আজিংক্য ৰাহানেই টছত জিকি চেন্নাইৰ দলটোক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। মহেন্দ্ৰ সিং ধোনী নেতৃত্বাধীন চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰাণ সংগ্ৰহ কৰে। কলকাতাৰ হৈ সুনীল নাৰায়ণে ৩টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু হৰ্ষিত ৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত কলকাতাই মাত্ৰ ১১ অভাৰতেই বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ সুনীল নাৰায়ণে ১৮টা বলত ৪৪ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ হৈ অংশুল কাম্বোজ আৰু নুৰ আহমেদে এটাকৈ উইকেট দখল কৰে। সুনীল নাৰায়ণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্নৌত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ্ গুজৰাট টাইটানছ্‌ৰ মুখামুখি হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়াৰে চাৰে ৭ বজাত পাঞ্জাব কিংছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

আৰ্জেণ্টিনাৰ বিউনʼজ এয়াৰজত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শুটিং স্পৰ্ট ফেডাৰেচন বিশ্বকাপত ভাৰতে দ্বিতীয় স্থান দখল কৰিছে। ভাৰতে চাৰিটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৮টা পদক লাভ কৰে।

০০০০০

সমাপ্ত